**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-05-2024 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***

১। ঘূৰ্ণী বতাহৰ প্ৰভাৱত ৰাজ্যৰ ঠায়ে ঠায়ে হোৱা প্ৰচণ্ড ধুমুহা আৰু বৰষুণৰ ফলত জনসাধাৰণৰ স্বাভাৱিক জীৱনযাত্ৰা ব্যাহত। ধুমুহা-বৰষুণ আৰু ভূমিস্খলনৰ ফলত চাৰিজন লোকৰ প্ৰাণ হানি। কেইবাখনো জিলাত প্ৰশাসনৰ ৰেড এলাৰ্ট জাৰি।

২। ধুমুহা-বৰষুণত ক্ষতিগ্ৰস্ত অঞ্চলত সাহায্য আৰু পুনৰ সংস্থাপন ব্যৱস্থা সূক্ষ্মভাৱে নিৰীক্ষণ কৰিবলৈ ৰাজ্যৰ মুখ্যসচিবক মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ।

৩। লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অব্যাহত। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ঝাৰখণ্ড আৰু পশ্চিম বংগত, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ওড়িশাত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ।

*আৰু*

৪। ডিব্ৰুগড় জিলাৰ চাহ বাগিচাত কৰ্মৰত একাধিক লোক কলেৰা সদৃশ ৰোগত আক্ৰান্ত হোৱাৰ পৰিপ্ৰেক্ষিতত মন্ত্ৰী সঞ্জয় কিষাণৰ উপস্থিতিত পৰ্যালোচনা বৈঠক।

০০০০০০০০

বংগোপসাগৰৰ উত্তৰ দিশৰ পৰা অসম তথা উত্তৰ-পূৰ্বাঞ্চলত প্ৰৱেশ কৰা ঘূৰ্ণী বতাহৰ প্ৰভাৱত ৰাজ্যখনৰ ঠায়ে ঠায়ে হোৱা প্ৰচণ্ড ধুমুহা আৰু বৰষুণৰ ফলত কালিৰেপৰা জনসাধাৰণৰ স্বাভাৱিক জীৱনযাত্ৰা ব্যাহত হৈছে। ৰাজ্যত আজি ধাৰাসাৰ ধুমুহা-বৰষুণ আৰু ভূমিস্খলনৰ ফলত চাৰিজন লোকে প্ৰাণ হেৰুওৱাৰ উপৰি ১২ গৰাকী শিক্ষাৰ্থীসহ ১৭ জন লোক আহত হৈছে। **মৰিগাঁও** জিলাৰ ধূপগুৰিত এজন ছাত্ৰৰ গাত গছ বাগৰি পৰাৰ ফলত ছাত্ৰজন মৃত্যুমুখত পৰে। আনহাতে, কামৰূপ জিলাত এজন আৰু কামৰূপ মহানগৰত আন এজন লোকৰ ধুমুহাৰ ফলত মৃত্যু হয়। ইফালে, গেৰুকামুখত এন এইচ পি চি প্ৰকল্পৰ কৰ্মী এগৰাকীৰ ভূমি স্খলনৰ ফলত মৃত্যু হৈছে। ৰেমল নামৰ ঘূৰ্ণী বতাহৰ প্ৰভাৱত ৰাজ্যৰ বিভিন্ন ঠাইত ধাৰাসাৰ বৰষুণ হৈ আছে আৰু কেইবাখনো জিলাত সতৰ্কতা জাৰি কৰা হৈছে। চৰকাৰী সংস্থাসমূহে **বঙাইগাঁও, দৰং, ধুবুৰী, হোজাই, কামৰূপ, কোকৰাঝাৰ, মৰিগাঁও, নগাঁও, শোণিতপুৰ, দক্ষিণ শালমাৰা মানকাচৰ** জিলাৰ লগতে অসম শক্তি বিতৰণ কোম্পানী লিমিটেড অৰ্থাৎ এ পি ডি চি এলৰ সা-সম্পত্তিসমূহৰ ধুমুহাৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ মূল্যায়ন কৰি আছে। **কৰিমগঞ্জ** জিলাৰ পাথাৰকান্দি ৰাজহচক্ৰৰ ঠাই বিশেষে আকস্মিক বানৰ সৃষ্টি হোৱা দেখা গৈছে। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহৰ পানী ভালেমান ঠাইত বৃদ্ধি পাইছে। **চিৰাং, গোৱালপাৰা, বাক্সা, ডিমা-হাচাও, কাছাৰ, হাইলাকান্দি, কৰিমগঞ্জ জিলাত ৰেড এলাৰ্ট জাৰি কৰাৰ বিপৰীতে ধুবুৰী, দক্ষিণ শালমাৰা, বঙাইগাঁও, বজালী, তামুলপুৰ, বৰপেটা, নলবাৰী, মৰিগাঁও, নগাঁও, হোজাই আৰু পশ্চিম কাৰ্বি আংলং** জিলাত অ'ৰেঞ্জ এলাৰ্ট জাৰি কৰা হৈছে।

গুৱাহাটীকে ধৰি ৰাজ্যৰ ভালেমান জিলাত নেৰানেপেৰা বৰষুণ আৰু ধুমুহাৰ ফলত কালি সন্ধিয়াৰে পৰা বিদ্যুৎ যোগান ব্যাহত হৈ আছে। গুৱাহাটী বিশ্ববিদ্যালয় চৌহদতো প্ৰকাণ্ড গছ উভালি পৰাৰ ফলত ক্ষতি হোৱা বুলি জানিব পৰা গৈছে। ইপিনে, ধুমুহা-বৰষুণৰ ফলত বামুণীমৈদাম, ভৰলুমুখৰ শান্তিপুৰৰ লগতে কেইবাটাও অঞ্চলত বাসগৃহ আৰু বাহনৰ ক্ষতি হৈছে। আৰক্ষী প্ৰশাসনৰ লোকে পথৰ কাষত উভালি পৰা গছসমূহ আঁতৰ কৰোৱাৰ ব্যৱস্থা কৰিছে। ইপিনে, বৰষুণৰ ফলত চানমাৰিত কৃত্ৰিম বানৰ সৃষ্টি হৈছে।

কেইবাখনো জিলাৰ প্ৰশাসনে সতৰ্কতামূলক ব্যৱস্থাৰ অংশ হিচাপে আজি বিদ্যালয় বন্ধ ৰখাৰ কথা ঘোষণা কৰিছে আৰু উত্তৰ-পূব সীমান্ত ৰে'লৱেই কেইবাখনো ৰে'লগাড়ীৰ যাত্ৰা বাতিল কৰিছে। অসম ৰাজ্যিক দুৰ্যোগ

ব্যৱস্থাপনা প্ৰাধিকৰণে সকলো জিলা দুৰ্যোগ ব্যৱস্থা প্ৰাধিকৰণক পৰিস্থিতিৰ পৰ্যালোচনা চলাবলৈ আৰু প্ৰয়োজন সাপেক্ষে বিশেষকৈ **ধুবুৰী, গোৱালপাৰা, দক্ষিণ শালমাৰা, মানকাচৰ, বঙাইগাঁও** আৰু **বৰপেটা** জিলাত ব্ৰহ্মপুত্ৰত নাও চলাচল নিয়ন্ত্ৰণ কৰিবলৈ নিৰ্দেশ দিছে। বৰাক উপত্যকাৰ বৰাক আৰু কুশিয়াৰা নৈতো নাও চলাচল নিয়ন্ত্ৰণ কৰিবলৈ কোৱা হৈছে। ৰাজ্য চৰকাৰে ধাৰাসাৰ বৰষুণ আৰু ধুমুহাৰ প্ৰতি লক্ষ্য ৰাখি নাগৰিকৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে ব্যাপক ব্যৱস্থা গ্ৰহণ কৰিছে। ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীৰ দলক সাজু কৰি ৰখা হৈছে আৰু নিয়ন্ত্ৰণ কক্ষসমূহ সক্ৰিয় কৰি তোলা হৈছে। **নগাঁও** জিলাৰ বিভিন্ন স্থানত ধুমুহাই বিস্তৰ ক্ষতি কৰা বুলি জানিব পৰা গৈছে। জিলাখনৰ কলিয়াবৰ ৰাজহ চক্ৰৰ অন্তৰ্গত অঞ্চলসমূহৰ ঠায়ে ঠায়ে পথৰ কাষত গছ উভালি পৰাৰ লগতে প্ৰকাণ্ড গছৰ ডাল ভাগি পৰাৰ ফলত পথসমূহেৰে যাতায়াত ব্যাহত হৈছে। মহকুমা প্ৰশাসনে ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লৈছে। জিলাখনত ৫৫ টা বাসগৃহ ধুমুহাৰ ফলত ভাগি পৰা বুলি জানিব পৰা গৈছে। ইপিনে, নগাঁও ৰে'ল ষ্টেচনত আজি পুৱা গছ বাগৰি পৰি এজন লোক গুৰুতৰভাৱে আহত হয়। জিলাখনত ৰেড এলাৰ্ট জাৰি কৰাৰ পৰিপ্ৰেক্ষিতত জিলা আয়ুক্তই জনসাধাৰণক যিকোনো পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাৰ বাবে সাজু থাকিবলৈ আহ্বান জনাইছে। শিক্ষানুষ্ঠানসমূহ আজি বন্ধ ৰখাৰ লগতে পৰিস্থিতি একেই থাকিলে কাইলৈও বন্ধ ৰখা হ'ব বুলি জিলা প্ৰশাসনে জানিবলৈ দিছে। মৰিগাঁও জিলাতো জিলাখনৰ আয়ুক্তৰ নিৰ্দেশমৰ্মে আজি শিক্ষানুষ্ঠানসমূহ বন্ধ ৰখা হয়। আজি শৈক্ষিক ক্ষতি অন্য এদিন পূৰণ কৰা হ'ব বুলি প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰিছে।

**ডিব্ৰুগড়** জিলাত ঘূৰ্ণী বতাহৰ ফলত ধাৰাসাৰ বৰষুণ অব্যাহত আছে। জিলাখনৰ বিভিন্ন স্থানত ধুমুহাৰ ফলত বিদ্যুৎ যোগান ব্যাহত হোৱাৰ লগতে পথ যোগাযোগো ব্যাহত হৈছে।

**মাজুলীত** ধাৰাসাৰ বৰষুণ আৰু ঘূৰ্ণী বতাহৰ বাবে জিলা প্ৰশাসনে কাইলৈ জিলাখনৰ সকলো বিদ্যালয় বন্ধ ৰখাৰ নিৰ্দেশ দিছে। আনহাতে, **যোৰহাট-মাজুলী** সংযোগী ফেৰী সেৱাও অনিৰ্দিষ্ট কালৰ বাবে বন্ধ ৰখাৰ নিৰ্দেশ দিয়া হৈছে। **গোলাঘাট** জিলাতো ধুমুহা-বৰষুণৰ ফলত ক্ষয়-ক্ষতি হোৱা বুলি জানিব পৰা গৈছে। জিলাখনৰ গোলাঘাট, দেৰগাঁও, মৰঙী, নুমলীগড় আদিত বিদ্যুৎ পৰিবাহী তাঁৰৰ ওপৰত গছ উভালি পৰাত বিদ্যুৎ সেৱা ব্যাহত হৈছে। প্ৰচণ্ড ঘূৰ্ণী বতাহৰ ফলত ৩৯ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত কেইবাখনো বাহনৰ বিস্তৰ ক্ষতি হৈছে।

নলবাৰী জিলাতো কালিৰেপৰা একেৰাহে বৰষুণ দি থকাত স্বাভাৱিক জীৱনযাত্ৰা ব্যাহত হৈছে। যোৱানিশাৰ পৰা জিলাখনত বিদ্যুৎ যোগানো ব্যাহত হৈ আছে। জিলাখনৰ ব্ৰহ্মপুত্ৰৰ চৰ অঞ্চলত কেইবাটাও বাসগৃহ আৰু বিদ্যালয়ৰ ক্ষতি হোৱাৰ উপৰি ৰবি শস্য নষ্ট হোৱা বুলি জানিব পৰা গৈছে। জিলা প্ৰশাসনে জিলাখনৰ নৈসমূহত নাও চলাচল নিষিদ্ধ কৰাৰ লগতে দুদিনৰ বাবে মাছ ধৰা, নৈৰ সমীপত ঘাঁহ কটা ইত্যাদি কামৰ পৰা বিৰত থাকিবলৈ সতৰ্কতাবাণী জাৰি কৰিছে। বৰপেটা জিলাতো ৰেমলৰ প্ৰভাৱত যোৱানিশাৰে পৰা ধাৰাসাৰ বৰষুণ হৈছে। ঠায়ে ঠায়ে বিদ্যুৎ যোগান ব্যাহত হৈছে যদিও এ পি ডি চি এলে বিদ্যুৎ যোগান নিয়মীয়া কৰিবলৈ চেষ্টা অব্যাহত ৰাখিছে। সতৰ্কতামূলক ব্যৱস্থা হিচাপে জিলাখনৰ প্ৰধান নৈসমূহত কালিৰেপৰা নাও চলাচল, মাছ ধৰা আদি কাৰ্য নিষিদ্ধ কৰা হৈছে।

ডিমা হাচাও জিলাৰ হাফলঙত ধাৰাসাৰ বৰষুণৰ ফলত হোৱা ভূমিস্খলন আৰু বানে স্বাভাৱিক জীৱন-যাত্ৰা ব্যাহত কৰিছে। জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে জিলাখনৰ সকলো শিক্ষানুষ্ঠান কাইলৈ পৰ্যন্ত বন্ধ ৰখাৰ নিৰ্দেশ দিছে। তদুপৰি জনসাধাৰণক অত্যন্ত প্ৰয়োজন নহ'লে ঘৰতে থকাৰ লগতে সজাগ হৈ থাকিবলৈ আহ্বান জনাইছে। ইয়াৰ লগতে লোকনিৰ্মাণ, কৃষি, এ পি ডি চি এল, জলসিঞ্চন, ভূমি সংৰক্ষণ, পশুপালন আৰু পশু চিকিৎসা বিভাগকে ধৰি সংশ্লিষ্ট বিভাগসমূহলৈও উচ্চ সতৰ্কতা জাৰি কৰা হৈছে। ইপিনে, জাতিংগা-হাৰাংগাজাও সংযোগী পথেৰে ১ জুন পৰ্যন্ত গধুৰ বাণিজ্যিক বাহনৰ চলাচল নিষিদ্ধ কৰা হৈছে। জিলাখনত ভূমি স্খলনৰ ফলত ভালেসংখ্যক বাসগৃহৰ ক্ষতি হৈছে।

ৰাজ্য চৰকাৰে লগতে জনসাধাৰণক স্থানীয় প্ৰশাসনৰ সৈতে সহযোগিতা কৰিবলৈ আহ্বান জনাইছে। উল্লেখযোগ্য যে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি গোৱালপাৰা, ডিমা-হাচাও, কাছাৰ আৰু কৰিমগঞ্জ জিলাত ধাৰাসাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে।

০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অৰুণাচল প্ৰদেশত পৰৱৰ্তী কেইটামান দিনত ধাৰাসাৰ বৰষুণ হ'ব বুলি আগজাননী দিছে। আনহাতে, ৰাজ্যখনৰ চাৰিখন জিলা পশ্চিম কামেং, পূব কামেং, পাপুমপাৰে আৰু চাংলাঙত ৰেড এলাৰ্ট জাৰি কৰা হৈছে। এই জিলাকেইখনত বিজুলী-ঢেৰেকণিৰে বৰষুণ হোৱাৰ লগতে বজ্ৰপাতৰো সম্ভাৱনা আছে। তদুপৰি ১১ খন জিলাত অ'ৰেঞ্জ এলাৰ্ট জাৰি কৰা হৈছে। বতৰ বিজ্ঞান বিভাগে ভূমি স্খলনৰ আশংকা থকা অঞ্চলসমূহলৈ যোৱাৰ পৰা বিৰত থাকিবলৈ জনসাধাৰণক সকিয়াই দিছে। তদুপৰি ধাৰাসাৰ বৰষুণৰ বাবে কোনো কোনো অঞ্চলত দৃশ্যমানতা হ্ৰাস পাব বুলিও কোৱা হৈছে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডুৱে সামাজিক মাধ্যমৰ এটা পোষ্টত সকলোকে সতৰ্কতামূলক ব্যৱস্থাসমূহ মানি চলিবলৈ আহ্বান জনাইছে। তেওঁ লগতে অসুবিধাৰ সন্মুখীন হোৱা মাত্ৰেই জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণক যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

০০০০০০০০

মিজোৰামত হোৱা ভূমিস্খলনৰ ফলত ২৩ জন লোকৰ মৃত্যু হৈছে। এটা শিলৰ কুৱেৰিৰ বাহিৰত হোৱা এই ভূমিস্খলনত মৃত্যু হোৱা ৯ জন ব্যক্তিৰ মৃতদেহ এতিয়ালৈকে উদ্ধাৰ কৰিব পৰা হোৱা নাই। মৃতদেহকেইটাৰ উদ্ধাৰৰ বাবে অভিযান অব্যাহত আছে।

০০০০০০০০

নিৰ্বাচনী প্ৰচাৰৰ উদ্দেশ্যে সম্প্ৰতি ওড়িশাত থকা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যত ধুমুহা-বৰষুণৰ ফলত সৃষ্টি হোৱা পৰিস্থিতি সন্দৰ্ভত আজি ৰাজ্যখনৰ মুখ্য সচিবৰ লগতে ফোনযোগে বাৰ্তালাপ কৰে। তেওঁ মুখ্যসচিবগৰাকীৰ পৰা পৰিস্থিতিৰ বুজ লৈ সাহায্য, পুনৰ সংস্থাপন আৰু সতৰ্কতামূলক ব্যৱস্থাসমূহ সূক্ষ্মভাৱে নিৰীক্ষণ কৰিবলৈ নিৰ্দেশ দিয়ে। ড° শৰ্মাই লগতে ধুমুহা-বৰষুণ আৰু ভূমিস্খলনৰ ফলত দুজন লোকৰ প্ৰাণহানিৰ ঘটনাক লৈ গভীৰ শোক প্ৰকাশ কৰে। তেওঁ ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ প্ৰয়োজনীয় সকলো সাহায্য আৰু আহতসকলক সময়মতে চিকিৎসা প্ৰদান কৰাটো নিশ্চিত কৰিবলৈ মুখ্য সচিবক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীৰ নিৰ্দেশমৰ্মে কিছু সময়ৰ পাছতে ৰাজ্যৰ মুখ্য সচিবে আৰক্ষী সঞ্চালকপ্ৰধানৰ উপস্থিতিত জিলাসমূহৰ আয়ুক্ত আৰু অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ বিষয়ববীয়াৰ সৈতে ভিডিঅ' কনফাৰেন্সযোগে সমগ্ৰ ব্যৱস্থাৰ পৰ্যালোচনা কৰিব। এই বৈঠকতে ক্ষতিগ্ৰস্তসকলৰ সা-সম্পত্তিৰ ক্ষয়-ক্ষতিৰ মূল্যায়নৰ লগতে তাৎক্ষনিক সাহায্য প্ৰদানৰ ব্যৱস্থা লোৱা হ'ব।

০০০০০০০

লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অব্যাহত আছে। অহা ১ জুনত ৭ খন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৫৭টা সমষ্টিত ভোটগ্ৰহণ হ'বলগীয়া সপ্তম পৰ্যায়ৰ নিৰ্বাচনত মুঠ ৯০৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ঝাৰখণ্ডৰ ডুমকা বিমানবন্দৰ খেলপথাৰত সংসদীয় সমষ্টিটোৰ পৰা বিজেপিৰ হৈ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা সীতা ছ'ৰেনৰ সমৰ্থনত অনুষ্ঠিত এখন নিৰ্বাচনী সভাক সম্বোধন কৰে। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই কাইলৈ দেওঘৰত ৩খন নিৰ্বাচনী সভাত ভাগ ল'ব। আনহাতে, জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়েও সমষ্টিটোত পৰহিলৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰাৰ কথা আছে। প্ৰধানমন্ত্ৰীয়ে আজি পশ্চিমবংগৰ বাৰাচাত সমষ্টিৰ দুখন নিৰ্বাচনী সভাত ভাগ লয়। তেওঁ লগতে কলকাতাত আজি আৰু কাইলৈ দুটাকৈ ৰোড শ্ব'তো ভাগ ল'ব বুলি জানিব পৰা গৈছে। ইফালে, আৰ জে ডিৰ নেতা তেজস্বী প্ৰসাদ যাদৱে আজি বক্সাৰ, চাচাৰাম, জেহানাবাদ আৰু পাতলিপুত্ৰ সমষ্টিত কেইবাখনো নিৰ্বাচনী সভাত ভাগ লয়।

ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সম্প্ৰতি ওড়িশাত নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে। ভদ্ৰক লোকসভা সমষ্টিৰ জনসাধাৰণক সম্বোধন কৰি ড০ শৰ্মাই আজি কয় যে, ওড়িশাত উন্নয়নৰ অভাৱ পৰিলক্ষিত হৈছে আৰু বিজেপি চৰকাৰ আহিলেহে ৰাজ্যখনলৈ ভাল দিন আহিব। জগতসিংপুৰত অনুষ্ঠিত নিৰ্বাচনী সভাত ভাষণ দি ড০ শৰ্মাই কয় যে, দ্বৈত ইঞ্জিনৰ চৰকাৰ হ'লে প্ৰধানমন্ত্ৰী মোদীৰ **সবকা সাথ, সবকা বিকাশ** নীতিৰে ওড়িশাক আগবঢ়াই লৈ যাব পাৰিব।

০০০০০০০

ডিব্ৰুগড় জিলাৰ চাহ বাগিচাত কিছু সংখ্যক লোক কলেৰা সদৃশ ৰোগত আক্ৰান্ত হোৱাৰ পৰিপ্ৰেক্ষিতত আজি শ্ৰমমন্ত্ৰী সঞ্জয় কিষাণে জিলাখনৰ বিভিন্ন বিভাগৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। এই বৈঠকত জিলাখনৰ স্বাস্থ্য বিভাগ, জনস্বাস্থ্য কাৰিকৰী, শ্ৰম, শিক্ষা আৰু আবকাৰী বিভাগৰ বিষয়াসকলে এই ৰোগ নিয়ন্ত্ৰণ আৰু ব্যৱস্থাপনাৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ বিষয়ে উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে ৰোগ প্ৰতিৰোধী ব্যৱস্থা তৎপৰতাৰে গ্ৰহণ কৰাৰ লগতে আক্ৰান্তসকলৰ উন্নত চিকিৎসাৰ ব্যৱস্থা কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। তদুপৰি চাহ বাগিচাত বিশুদ্ধ খোৱাপানীৰ যোগান সুনিশ্চিত কৰিবলৈও নিৰ্দেশ দিয়া হৈছে। মন্ত্ৰীগৰাকীয়ে শ্ৰমিকসকলৰ সুবিধাৰ্থে শৌচাগাৰৰ নিৰ্মাণৰ কামো সোনকালে সম্পূৰ্ণ কৰিবলৈ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিষয়াক নিৰ্দেশ দিয়ে।

০০০০০০০০

আজি আন্তঃৰাষ্ট্ৰীয় ঋতুস্ৰাব পৰিস্কাৰ-পৰিচ্ছন্নতা দিৱস। মহিলাসকলক নিৰাপদ ঋতুস্ৰাৱৰ উপকাৰিতাৰ বিষয়ে জনাবলৈ তথা এই সন্দৰ্ভত সজাগতা সৃষ্টি আৰু এই বিষয়ে মুকলিকৈ কথা পাতিবলৈ উৎসাহিত কৰাৰ উদ্দেশ্যে প্ৰতি বছৰে ২৮ মে'ৰ দিনটো সমগ্ৰ বিশ্বতে ঋতুস্ৰাব পৰিস্কাৰ-পৰিচ্ছন্নতা দিৱস হিচাপে পালন কৰি অহা হৈছে। দেশৰ ভিন্ন প্ৰান্তৰ লগতে অসমতো আজি এই দিৱস উপলক্ষে বিভিন্ন সজাগতা কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। গোলাঘাট জিলাৰ ৪ খনকৈ চাহ বাগিচাত যোৱা ২৬ মে'ৰ পৰা তিনি দিনীয়াকৈ মহিলাৰ স্বাস্থ্য পৰীক্ষা শিবিৰ আৰু সজাগতা শিবিৰ অনুষ্ঠিত কৰা হয়। টাটা ট্ৰাষ্টৰ জলোধৰী প্ৰকল্পৰ অধীনত আয়োজিত এই শিবিৰসমূহ কাজিৰঙা হাতীখুলি, দিৰিং আৰু আন দুখন চাহ বাগিচাত পৰ্যায়ক্ৰমে অনুষ্ঠিত হয়। শিবিৰত বাগানত কাম কৰা মহিলা শ্ৰমিকসকলৰ মাজত ঋতুস্ৰাবক লৈ থকা বিভিন্ন অন্ধবিশ্বাস দূৰ কৰি সজাগতা সৃষ্টি কৰাৰ লগতে অভিজ্ঞ চিকিৎসকৰ দ্বাৰা স্বাস্থ্য পৰীক্ষা কৰোৱা হয়। ইফালে ঋতুস্ৰাব পৰিস্কাৰ-পৰিচ্ছন্নতা দিৱস উপলক্ষে মহানগৰ আৰক্ষীয়ে এছ এম আৰ চিৰ উদ্যোগত মহিলা আৰক্ষী বিষয়াসকলৰ বাবে কালি গুৱাহাটীত ঋতুস্ৰাব স্বাস্থ্য ব্যৱস্থাপনা সম্পৰ্কীয় সজাগতা কাৰ্যসূচী গ্ৰহণ কৰে।

মাজুলীতো স্বেচ্ছাসেৱী সংস্থা **সাহস**ৰ উদ্যোগত **সতৰা** আৰু হৰিশ আৰু বিনা শ্বাহ ফাউণ্ডেশ্যনৰ সহযোগত গড়মূৰ আৰক্ষী থানাত বিশ্ব ঋতুস্ৰাব স্বচ্ছতা দিৱস পালন কৰা হয়। অনুষ্ঠানত বিষয়টোৰ গুৰুত্ব তথা ছেনিটেৰী পেডৰ স্বাস্থ্যজনিত আৰু পৰিৱেশজনিত প্ৰভাৱৰ বিষয়ে আলোচনা কৰা হয়।

০০০০০০০০

আজীৱন কু-সংস্কাৰ আৰু অন্ধবিশ্বাসৰ বিৰুদ্ধে যুঁজ দি যোৱা পদ্মশ্ৰী সন্মানেৰে সন্মানিত প্ৰয়াত বীৰুবালা ৰাভাৰ গোৱালপাৰা জিলাৰ ঠাকুৰভিলাৰ বাসগৃহত আজি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত হয়। মন্ত্ৰীগৰাকীয়ে ৰাভাৰ স্মৃতিত শ্ৰদ্ধা জ্ঞাপন কৰাৰ লগতে পৰিয়ালৰ সদস্যসকলক সমবেদনা জ্ঞাপন কৰে। বীৰুবালা ৰাভাৰ মৃত্যু অসমৰ বাবে অপূৰণীয় ক্ষতি আৰু জনসাধাৰণে কৰ্মৰ মাজেৰে তেওঁক জীয়াই ৰাখিব লাগিব বুলি তেওঁ মন্তব্য কৰে।

০০০০০০০০

শোণিতপুৰ জিলাৰ বিহগুড়িত খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত  কৃষি সমবায় সংস্থা CSS ATMAৰ উদ্যোগত আজি কৃষি বিষয়ক এটা প্ৰশিক্ষণৰ আয়োজন কৰা হয়। অনুষ্ঠানত পশুপালন, গাহৰি আৰু ছাগলী পালন বিষয়ক প্ৰশিক্ষণ আগবঢ়োৱা হয়।

00000000

গোলাঘাট জিলাৰ বোকাখাটত আজি সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা এহেজাৰ ৩৮৬ গৰাকী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। বোকাখাট নাট্য মন্দিৰত অনুষ্ঠিত এই অভিনন্দন অনুষ্ঠানত মন্ত্ৰী অতুল বৰাই বোকাখাট বিধানসভা সমষ্টিৰ ৮৬ খন উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কৃতি ছাত্ৰ-ছাত্ৰীক একোটিকৈ গছপুলি, কিতাপৰ টোপোলা আৰু সম্বৰ্ধনা পত্ৰ প্ৰদান কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কেৰিয়াৰ সন্দৰ্ভত বক্তব্যও আগবঢ়োৱা হয়।

000000

আকাশবাণী গুৱাহাটী আঞ্চলিক বাতৰি বিভাগে অহা ৪ জুনত লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ দিনা **জনাদেশ-২০২৪** শীৰ্ষক দিনজোৰা অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত কেইবাগৰাকীও বিশ্লেষক আৰু সমল ব্যক্তিৰ উপস্থিতত ভোটগণনাৰ শেহতীয়া তথ্য সম্পৰ্কে আলোচনা কৰাৰ লগতে দেশ আৰু ৰাজ্যৰ বিভিন্ন সমষ্টিৰ পৰা আকাশবাণীৰ সংবাদদাতাৰ সৈতে সংযোগ স্থাপন কৰি পোনপটীয়াকৈ ভোটগণনাৰ শেহতীয়া তথ্য প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটো পুৱা ৯ বাজি ১৫ মিনিটৰ পৰা অব্যাহত থাকিব। এই অনুষ্ঠানটো NEWS ON AIR এপ, আমাৰ ইউটিউব চেনেল AIR NEWS GUWAHATI আৰু X হেণ্ডেল @AIRNEWS_GHY যোগে পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব।

000000000

যোৰহাট জিলাত আজি তদন্তকাৰী বিষয়াসকলৰ বাবে ৰূপায়িত হ'বলগীয়া নতুন আইন সন্দৰ্ভত প্ৰশিক্ষণৰ আয়োজন কৰা হয়। অহা ১ জুলাইৰ পৰা কাৰ্যকৰী হ'বলগীয়া এই নতুন আইনসমূহৰ বিষয়ে বিষয়াসকলক অৱগত কৰা এই প্ৰশিক্ষণত যোৰহাট আইন মহাবিদ্যালয়ৰ কেইবাগৰাকীও প্ৰবক্তাই অংশগ্ৰহণ কৰে।

000000000

নলবাৰী জিলাৰ এলেঙীদল গাঁৱৰ ভগীন্দ্ৰনাথ চৌধুৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক নিৰঞ্জন তালুকদাৰৰ আজি পুৱা মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৫৫ বছৰ।

0000